# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 26-02-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

গুৱাহাটীত অনুষ্ঠিত এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ আজি আনুষ্ঠানিকভাৱে সামৰণি পৰে। খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত এডভাণ্টেজ আচামৰ প্ৰদৰ্শনী কাইলৈ সাধাৰণ দৰ্শকৰ বাবে মুকলি কৰি দিয়া হ'ব। আজি দ্বিতীয় দিনাৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ স্থলপথ, ৰেলপথ আৰু জলপথ ঃ আছিয়ান দেশ আৰু উত্তৰ পূৰৰ ৰাজ্যসমূহৰ বিকাশৰ দিশত ভাৰতৰ এক্সপ্ৰেছ ৱে' শীৰ্ষক এক উচ্চ পৰ্যায়ৰ অধিবেশনত অংশগ্ৰহণ কৰে। যোগাযোগ আৰু বাণিজ্যিক হাব হিচাপে অসমৰ ভূমিকাক অধিক গতিশীল কৰাৰ লক্ষ্যৰে চৰকাৰ, উদ্যোগ বিশেষজ্ঞ আৰু বিনিয়োগকাৰীসকলক একত্ৰিত কৰি এই অধিবেশন অনুষ্ঠিত কৰা হয়। অধিবেশনত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমত উন্নত আন্তঃগাথনি নিৰ্মাণত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে উন্নত আন্তঃগাথনিৰ জৰিয়তেহে কোনো এটা অঞ্চললৈ বিনিয়োগকাৰীক আকৰ্ষণ কৰিব পৰা যায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অসমে আন্তঃগাথনি আৰু যোগাযোগৰ ক্ষেত্ৰত উল্লেখযোগ্য  পৰিৱৰ্তন সাধন কৰিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে প্ৰতিবছৰে ৰাজ্যখনৰ মূলধনী বিনিয়োগে চলিত বৰ্ষত ২৫ হাজাৰ কোটি টকাৰ সীমা অতিক্ৰম কৰিব। আজিৰ অধিবেশনত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ছিংগাপুৰৰ উচ্চায়ুক্ত চাইমন ৱং, লোকনিৰ্মাণ বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালকে ধৰি কেইবাগৰাকীও গণ্য মান্য ব্যক্তি উপস্থিত থাকে।

০০০০

মহৰ বংশবৃদ্ধি ৰোধ কৰি ৰোগ প্ৰতিৰোধ কৰাৰ লক্ষ্যৰে আজি বৰপেটাৰ নলাত জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত লাৰ্ভিভোৰাছ নামৰ এবিধ বিশেষ প্ৰজাতিৰ মাছ এৰি দিয়া হয়। পৰীক্ষামূলকভাৱে বৰপেটা পৌৰসভাৰ ৮ নম্বৰ ৱাৰ্ডৰ অন্তৰ্গত ন-হাটীত আজি এই পদক্ষেপ ৰূপায়ণ কৰা হয়।

০০০০

ৰাষ্ট্ৰজুৰি আৰম্ভ হোৱা শিক্ষানুষ্ঠানৰ চৌহদত পক্ষী গণনা কাৰ্যসূচীৰ অংশ হিচাপে আজি কোকৰাঝাৰ জিলাৰ বড়োলেণ্ড বিশ্ববিদ্যালয় চৌহদত পক্ষী গণনা কৰা হয়। বিশ্ববিদ্যালয়খনৰ প্ৰাণী বিজ্ঞান বিভাগৰ ১৫গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই পক্ষী গণনাত ভাগ লৈ ৩৬টা পক্ষী প্ৰজাতি চিনাক্ত কৰে। ইয়াৰ ভিতৰত ১০টা পৰিভ্ৰমী পক্ষী প্ৰজাতিও আছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰৰ দেশৰ পক্ষী প্ৰজাতিৰ বৈচিত্ৰ্য সংৰক্ষণৰ লক্ষ্যৰে দেশৰ শৈক্ষিক প্ৰতিষ্ঠানসমূহত এই কাৰ্যসূচী লৈছে।

০০০০

সমগ্ৰ শিক্ষা মৰিগাঁৱৰ উদ্যোগত আৰু আৰ্টিফিচিয়েল লিম্ব মেনিফেকচাৰিং লিমিটেড কানপুৰৰ সহযোগত আজি মৰিগাঁও জিলাৰ ৮০গৰাকী শ্ৰৱন বাধাগ্ৰস্ত শিশুক শ্ৰৱন সঁজুলি বিতৰণ কৰা হয়। মৰিগাঁও শিক্ষা বিভাগৰ প্ৰজ্ঞা ভৱনত আয়োজন কৰা এটা অনুষ্ঠানত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই শিক্ষা বিভাগৰ এই পদক্ষেপৰ শলাগ লৈ কয় যে মানৱ সেৱাই প্ৰকৃত সেৱা। এই সঁজুলিসমূহে দিব্যাংগ শিশুসকলক আগবাঢ়ি যোৱাত সহায় কৰিব। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া ৰবেন্দ্ৰ কুমাৰ দাস, মৰিগাঁও জিলাৰ সহকাৰী আয়ুক্ত পংকজজ্যোতি শইকীয়া, মিলেশ্বৰ পাটৰ, অপূৰ্ব ঠাকুৰীয়া, লক্ষ্মীনন্দন শইকীয়া আদি বহুকেইগৰাকী বিভাগীয় বিষয়া উপস্থিত থাকে।

০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ আজি লাহোৰৰ গাড্ডাফী ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত আফগানিস্তানে ইংলেণ্ডক জয়ৰ বাবে ৩২৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। আফগানিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৭ উইকেটৰ বিনিময়ত ৩২৫ ৰাণ সংগ্ৰহ কৰে। দলটোৰ হৈ ইব্ৰাহিম জাড্ৰানে সৰ্বাধিক ১৭৭ ৰাণ কৰে। ইংলেণ্ডৰ জ'ফ্ৰা আৰ্চাৰে ৩টা উইকেট দখল কৰাৰ লগতে লিয়াম লিভিষ্টংনে দুটা উইকেট দখল কৰে।

আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে ইংলেণ্ডে ৩৬ অভাৰ ৪ টা উইকেট হেৰুৱাই ২১৪ ৰাণ কৰি খেলি আছে। আজিৰ খেলখনত পৰাজিত হোৱা দলটো প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'ব।

০০০০

গুৱাহাটী ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ কনকলতা ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথম অস্মিতা বেডমিণ্টন প্ৰতিযোগিতাৰ আজি সামৰণি পৰে। ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ উদ্যোগত আৰু বেডমিণ্টন এছ'চিয়েছন অব ইণ্ডিয়াৰ সহযোগত অসম বেডমিণ্টন সন্থাই আয়োজন কৰা এই প্ৰতিযোগিতাত শুচিস্মিতা চক্ৰৱৰ্তীয়ে দুটাকৈ সোণৰ পদক অৰ্জন কৰে। শুচিস্মিতাই ১৭ বছৰ অনূৰ্ধৰ ছোৱালীৰ একক শাখাত সোহানশ্বিনি ৰয়চৌধুৰীক পৰাজিত কৰাৰ লগতে ১৯ বছৰ অনূৰ্ধৰ শাখাত ফাৰিহা ছাবামেৰাজক পৰাস্ত কৰি খিতাপ অৰ্জন কৰে। ছিনিয়ৰ মহিলা একক শাখাত ঋক্সিতা চলিহা চেম্পিয়ন হয়।

০০০০

বিজেপি অসম প্ৰদেশৰ জনসংঘকালীন জ্যেষ্ঠ নেতা, প্ৰাক্তন সাংগঠনিক সাধাৰণ সম্পাদক, উপ-সভাপতি হৰেকৃষ্ণ ভৰালীৰ কালি ৭৫ বছৰ বয়সত মৃত্যু হয়। তেওঁৰ নশ্বৰ দেহ আজি অটল বিহাৰী বাজপেয়ী ভৱনলৈ অনা হয় আৰু দলৰ হৈ বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা জনায়। মন্ত্ৰী অশোক সিংহলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি কয় যে হৰেকৃষ্ণ ভৰালীৰ আদৰ্শ বিজেপিৰ বাবে সদায় পাথেয় হৈ ৰ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ